# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-OCT-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

———————————————————

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে আজি সোণাপুৰৰ কমাৰকুছিৰ জুবিন গাৰ্গ ক্ষেত্ৰলৈ গৈ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ কাহিলিপাৰালৈ গৈ জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গ আৰু পৰিয়ালৰ সদস্যসকলক সাক্ষাৎ কৰি জুবিন গাৰ্গৰ প্ৰতি থকা তেওঁৰ গভীৰ শ্ৰদ্ধা আৰু সহমৰ্মিতাৰ কথা প্ৰকাশ কৰে। পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত গান্ধীয়ে জুবিন গাৰ্গৰ  অকাল মৃত্যু কেৱল অসমবাসীৰ বাবেই নহয়, সমগ্ৰ দেশবাসীৰ বাবেই এটা বৃহৎ ক্ষতি বুলি অভিহিত কৰে। জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যুৰ পুংখানুপুংখ আৰু স্বচ্ছ তদন্ত হোৱাৰ ওপৰতো কংগ্ৰেছ নেতাগৰাকীয়ে গুৰুত্ব আৰোপ কৰে।

*(বাইট ঃ ৰাহুল গান্ধী)*

ooooo

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ নেতৃত্বত গঠন কৰা এজনীয়া ন্যায়িক আয়োগে এই ঘটনা সম্পৰ্কত তথ্য সংগ্ৰহৰ বাবে ৰাজহুৱা জাননী জাৰি কৰিছে। সেই অনুসৰি জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত কোনো লোকৰ হাতত কোনো তথ্য থাকিলে তেওঁলোকে শপতনামাৰ জৰিয়তে এই তথ্য আয়োগক জনাব পাৰিব। গুৱাহাটীৰ চানমাৰিৰ খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ কাৰ্যালয়ত থকা আয়োগৰ  কাৰ্যালয়ত অহা ৩ নৱেম্বৰৰ পৰা ২১ নৱেম্বৰৰ দিনৰ চাৰে ১০ বজাৰ পৰা বিয়লি চাৰি বজাৰ ভিতৰত এনে তথ্য সম্বলিত শপতনামা দাখিল কৰিব পৰা যাব বুলি এখন চৰকাৰী বিজ্ঞপ্তিত কোৱা হৈছে।

ooooo

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত এছ আই টিয়ে গ্ৰেপ্তাৰ কৰা কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্ত আৰু বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামীক  কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰাৰ পাছত তেওঁলোকক হাফলং কাৰাগাৰলৈ নিয়া হৈছে। ব্যাপক নিৰাপত্তাৰ মাজত আৰক্ষীৰ কেইবাখনো গাড়ীৰে  তেওঁলোকক কাৰাগাৰলৈ নিয়া হয়।

ইয়াৰ আগতে ১৪ দিনৰ আৰক্ষীৰ জিম্মাৰ ম্যাদ অন্ত পৰাৰ পাছত শেখৰ জ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তক আজি আগবেলা কামৰূপ মহানগৰ ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয়।

ইপিনে, যোৱা বুধবাৰে অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি পাঁচজনক বাক্সা জিলাৰ নিকাছিত থকা কাৰাগাৰলৈ নিয়াৰ সময়ত উদ্ভৱ হোৱা হিংসাত্মক ঘটনাৰ পৰিপ্ৰেক্ষিতত জিলাখনত কৰ্তন কৰা ম'বাইল ইণ্টাৰনেট সেৱা আজিৰে পৰা বাহাল কৰা হৈছে। অৱশ্যে জিলাখনত সান্ধ্য আইন আজিও অব্যাহত আছে আৰু নিকাছি কাৰাগাৰৰ সন্মুখৰ পথেৰে সৰ্বসাধাৰণৰ আহ-যাহ নিষিদ্ধ কৰা হৈছে। অঞ্চলটোত অসম আৰক্ষীৰ লগতে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু ৰেপিড এক্সন বাহিনীৰ লোকে অহৰ্নিশে পহৰা দি আছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ গোলাপ শইকীয়া সোঁৱৰণী অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাত নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী নিষ্ঠা বৰগোহাঁইয়ে প্ৰথম স্থান অধিকাৰ কৰিছে। গহপুৰৰ নিউ স্কলাৰ্ছ একাডেমীৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰী দিব্যা আত্ৰেয়ই দ্বিতীয় স্থান, যোৰহাটৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী অন্বেষা ফুকন আৰু গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰ ৰোহিত গাঁওখোৱাই যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰিছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰত হ'বলগীয়া পুৰস্কাৰ বিতৰণ অনুষ্ঠানৰ তাৰিখ যথাসময়ত প্ৰকাশ কৰা হ'ব। পুৰস্কাৰ ৰূপত প্ৰথম তিনিটা স্থান লাভ কৰা আটাইকেইগৰাকী বিজয়ী প্ৰতিযোগিয়ে একোটাকৈ স্মাৰক, প্ৰমাণপত্ৰ, গ্ৰন্থ আৰু এটাকৈ ৰেডিঅ'ছেট লাভ কৰিব।

০০০০০

গোৱালপাৰা জিলাক নিচামুক্ত জিলা হিচাপে গঢ় দিয়াৰ বাবে আজি জিলা প্ৰশাসনে ফাৰ্মাচীসমূহৰ স্বত্তাধিকাৰীসকলৰ মাজত এখন সভা অনুষ্ঠিত কৰে। সভাত জিলা আয়ুক্ত প্ৰদীপ টিমুং উপস্থিত থাকি সমাজখনক নিচামুক্ত কৰাৰ ক্ষেত্ৰত ফাৰ্মাচী স্বত্তাধিকাৰীসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে। তেওঁ ঔষধ বিক্ৰেতাসকলক যথেষ্ট সাৱধানতা অৱলম্বন কৰিবলৈ পৰামৰ্শ দিয়ে। আয়ুক্তগৰাকীয়ে ফাৰ্মাচীসমূহত চি চি টি ভি সংলগ্ন কৰাৰ উপৰিও ফাৰ্মাচীৰ কৰ্মচাৰীসকলক এপ্ৰন পৰিধান কৰাৰ বাবে নিৰ্দেশ দিয়ে। সজাগতা সভাখনত জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকো উপস্থিত থাকে।

০০০০০

সমাপ্ত